# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিংযোগে স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠানত যুৱ উদ্ভাৱকসকলৰ সৈতে মত-বিনিময় কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি মস্কোত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

৪। ছিৰিয়াত সৃষ্টি হোৱা শেহতীয়া পৰিস্থিতিৰ পাছত ভাৰত চৰকাৰে কালি ৭৫ গৰাকী ভাৰতীয় নাগৰিকক দেশখনৰ পৰা ওভতাই আনে।

*আৰু*

৫। পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি ভাৰতীয় দলটো আয়োজক অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ২০২৪ বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব। তৃণমূল পৰ্যায়ত শাসন আৰু উন্নয়নত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এইবেলি বিভিন্ন শিতানত মুঠ ৪৫জন বঁটা প্ৰাপকক নিৰ্বাচিত কৰা হৈছে। এই বঁটা প্ৰদান অনুষ্ঠানত বিভাগীয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বঁটা বিজয়ী পঞ্চায়তসমূহৰ অভিনৱ আৰু প্ৰভাৱশালী পদ্ধতি সম্বলিত এখন পুস্তিকা উন্মোচন কৰিব। মন্ত্ৰালয়ে বিবৃতিযোগে কৈছে যে এই বঁটা প্ৰদান অনুষ্ঠানৰ জৰিয়তে অন্যান্য পঞ্চায়তসমূহক উত্তম পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত অৰিহনা যোগাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিংযোগে স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২৪ৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠানত যুৱ উদ্ভাৱকসকলৰ সৈতে মত-বিনিময় কৰিব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি দেশৰ মুঠ ৫১টা কেন্দ্ৰত আৰম্ভ হ'বলগীয়া হেকাথনৰ সপ্তম সংস্কৰণৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠান ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰিব। অনুষ্ঠানত ১৩শতকৈও অধিক শিক্ষাৰ্থীৰ দলে অংশগ্ৰহণ কৰিব। স্মাৰ্ট ইণ্ডিয়া হেকাথন হৈছে শিক্ষাৰ্থীসকলে দৈনন্দিন জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে এখন মঞ্চ

প্ৰদান কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তুলিবলৈ দেশজুৰি গ্ৰহণ কৰা এটা পদক্ষেপ।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি মস্কোত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ৰাছিয়াৰ বন্ধুত্বৰ উদ্ধৃতি দি কয় যে নতুন দিল্লীয়ে সদায় ৰাছিয়াৰ বন্ধুসকলৰ কাষত থিয় দি আহিছে। এটা বিবৃতিযোগে প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে দুয়োগৰাকী নেতাই দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ বিভিন্ন বিষয়ত আলোচনাত মিলিত হয়। ইয়াৰ পূৰ্বে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মস্কোত ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভৰ সৈতে সামৰিক, কাৰিকৰী সহযোগিতা সম্পৰ্কীয় ভাৰত-ৰাছিয়া আন্তঃচৰকাৰী আয়োগৰ ২১ সংখ্যক বৈঠকৰ সহ অধ্যক্ষতা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া ৰাছিয়া ভ্ৰমণে দেশ দুখনৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিছে। মেক ইন ইণ্ডিয়া প্ৰকল্পত ৰাছিয়াৰ উদ্যোগসমূহৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে বৈঠকত দুয়োপক্ষই গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মস্কোৰ অজ্ঞাত সৈনিকৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০

ছিৰিয়াত সৃষ্টি হোৱা শেহতীয়া পৰিস্থিতিৰ পাছত ভাৰত চৰকাৰে কালি ৭৫ গৰাকী ভাৰতীয় নাগৰিকক দেশখনৰ পৰা ওভতাই অনাৰ ব্যৱস্থা কৰে। এই লোকসকলৰ ভিতৰত ছায়েদা জেনাবত আৱদ্ধ হৈ থকা ৪৪গৰাকী জম্মু-কাশ্মীৰৰ বাসিন্দা। দেশখনত আবদ্ধ হৈ থকা সকলো ভাৰতীয়ই ইতিমধ্যে নিৰাপদে লেবানন সীমান্ত অতিক্ৰম কৰিছে আৰু বাণিজ্যিক বিমানযোগে শীঘ্ৰেই তেওঁলোক ভাৰতলৈ আহিব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি ডামাস্কাছ আৰু বেইৰুটত থকা ভাৰতীয় দূতাবাসৰ প্ৰচেষ্টাত উদ্ধাৰ অভিযান অব্যাহত আছে। নতুন দিল্লীয়ে নিৰাপত্তা পৰিস্থিতিৰ মূল্যায়ন আৰু ছিৰিয়াত থকা ভাৰতীয় নাগৰিকসকলৰ অনুৰোধ মৰ্মে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে বিবৃতিটোত জোৰ দি কয় যে চৰকাৰে বিদেশত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষাক অগ্ৰাধিকাৰ দিয়ে। জৰুৰীকালীন সহায়ৰ বাবে বৰ্তমানে ছিৰিয়াত আবদ্ধ নাগৰিকসকলক +৯৬-৩৯৯৩৩৮৫৯৭৩ হেল্পলাইন নম্বৰত যোগাযোগ কৰিবলৈ ভাৰতীয় দূতাবাসে আহ্বান জনাইছে।

০০০০০

বিৰোধী দলৰ ঐক্যমঞ্চই কালি ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে সদনৰ কাম-কাজত পক্ষপাতিত্ব কৰাৰ অভিযোগ তুলি ৰাজ্যসভাৰ সচিব প্ৰধানৰ ওচৰত অনাস্থা প্ৰস্তাৱৰ জাননী দাখিল কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যসভাৰ সভাপতিৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ বাহিৰে আন কোনো বিকল্প নাছিল। সংসদীয় গণতন্ত্ৰৰ স্বাৰ্থত বিৰোধীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি কংগ্ৰেছ সাংসদগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ**

**আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ছিৰিয়াত মহম্মদ অল-বছিৰক অন্তৰ্বৰ্তীকালীন চৰকাৰৰ ভাৰপ্ৰাপ্ত প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে। টেলিভিছনযোগে দিয়া এটা বাৰ্তাত বছিৰে কয় যে কিছুদিন পূৰ্বে ৰাষ্ট্ৰপতি বছাৰ অল-আছাদক উৎখাত কৰা প্ৰাক্তন বিদ্ৰোহীসকলৰ সমৰ্থনত তেওঁ অহা বছৰৰ ১ মাৰ্চ পৰ্যন্ত এই অন্তৰ্বৰ্ত্তীকালীন শাসনৰ নেতৃত্বত দিব। ডামাস্কাত সংঘটিত হোৱা ১২ দিনীয়া আক্ৰমণৰ পূৰ্বে অল-বছিৰে বিদ্ৰোহী নেতৃত্বাধীন মুক্তি চৰকাৰৰ গুৰি ধৰিছিল। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ছিৰিয়াৰ বেছিভাগ অঞ্চলতে কম পৰিচিত ব্যক্তি মহম্মদ অল-বছিৰে বিদ্ৰোহীসকলৰ দ্বাৰা নিয়ন্ত্ৰিত উত্তৰ-পশ্চিমৰ এখন সৰু ঠাইত প্ৰশাসন ব্যৱস্থা চলাইছিল।

০০০০০

চীনৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ মাও নিঙে কয় যে হংকঙৰ কাম-কাজত হস্তক্ষেপক লৈ চীনে আমেৰিকাৰ জোৱানসকলৰ ভিছাত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত লৈছে। শেহতীয়াকৈ আমেৰিকাই হংকঙৰ প্ৰশাসনিক আৰু চৰকাৰী বিষয়াসকলৰ ভিছাত নিষেধাজ্ঞা আৰোপ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ প্ৰতিক্ৰিয়াৰূপে বেইজিঙত অনুষ্ঠিত সংবাদমেলত মুখপাত্ৰগৰাকীয়ে এই সিদ্ধান্ত ঘোষণা কৰে। মুখপাত্ৰগৰাকীয়ে লগতে কয় যে আমেৰিকাই চীনৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰি আন্তঃৰাষ্ট্ৰীয় আইনৰ নীতি আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক নিয়ন্ত্ৰণ কৰা মৌলিক নীতি-নিয়ম উলংঘা কৰিছে।

০০০০০

ভাৰতীয় মহিলা দলটো আজি চীনৰ হংকঙত চলি থকা বিশ্ব স্কোৱাচ চেম্পিয়নশ্বিপ ২০২৪ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোৱে কালি ইটালীক ৩-০ পইণ্টত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছিল। ভাৰতৰ আকাংক্ষা চলুংখে, অনাহাত সিং আৰু নিৰূপমা ডুবেই তেওঁলোকৰ খেলত জয়লাভ কৰিছে। আজিৰ খেলখন ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতীয় মহিলা দলটোৱে কলম্বিয়া আৰু ইটালীৰ বিৰুদ্ধে জয়লাভ কৰাৰ লগতে বেলজিয়ামৰ বিৰুদ্ধে পৰাস্ত হৈ গ্ৰুপ চিত দ্বিতীয় স্থানত প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ সামৰণি মাৰিছিল।

ইপিনে, ভাৰতৰ পুৰুষ দলটোৱে আজি মালয়েছিয়াৰ বিৰুদ্ধে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। গ্ৰুপ এফৰ এখন খেলত কালি কলম্বিয়াৰ বিৰুদ্ধে পৰাস্ত হোৱা সত্বেও দলটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্বলৈ যোগ্যতা অৰ্জন কৰিছিল। খেলখন দিনৰ ১২ বজাত আৰম্ভ হ'ব।

০০০০০

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি ভাৰতীয় দলটো আয়োজক অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন পুৱা ৯ বাজি ৫০ মিনিটত আৰম্ভ হ'ব। ইতিমধ্যে অষ্ট্ৰেলিয়াই এই শৃংখলাত ২-০ৰ ফলাফলত অগ্ৰগতি লাভ কৰি আছে।

দলটোৱে ৫ উইকেটত প্ৰথমখন মেচ আৰু ১২২ ৰাণৰ বৃহৎ ব্যৱধানত দ্বিতীয়খন মেচত জয়লাভ কৰিছিল। প্ৰথম দুয়োখন খেল ব্ৰিছবেনত অনুষ্ঠিত হৈছিল। দুয়োখন মেচত ১৪৭ ৰাণ সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ভ'ল শৃংখলাৰ শীৰ্ষ স্থানত আছে। ইয়াৰ বিপৰীতে ছটা উইকেট দখলেৰে মেগান শ্বুট তালিকাৰ শীৰ্ষত আছে।

০০০০০

মিজোৰামৰ চেৰচিপ জিলাত আন্তঃৰাষ্ট্ৰীয় পেৰাগ্লাইডিং প্ৰতিযোগিতা আৰু এৰোস্পৰ্ট মহোৎসৱ,২০২৪ কালি আৰম্ভ হৈছে। চাৰিদিনীয়াকৈ আয়োজিত এই ক্ৰীড়া মহোৎসৱ অহা শুকুৰবাৰে সামৰণি পৰিব। দক্ষিণ কোৰিয়া, নেপাল, কাজাখাস্তান, আৰু ইণ্ডোনেছিয়াৰ পাইলটসকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। জাউলপুই অৱতৰণ ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানত মিজোৰামৰ মুখ্যমন্ত্ৰী পু লালডুহোমা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। চেৰচিপ জিলা আয়ুক্ত তথা আন্তঃৰাষ্ট্ৰীয় পেৰাগ্লাইডিং বিশ্ব চেম্পিয়নশ্বিপ আয়োজক সমিতিৰ অধ্যক্ষ পল এল খুমাই কালি মহোৎসৱৰ উদ্বোধন কৰে। মহোৎসৱ উপলক্ষে জাউলপুইত ক্ষুদ্ৰ বিপণীৰ যোগেদি মিজোৰামৰ থলুৱা খাদ্য, সাংস্কৃতিক উপাদানসমূহ বিক্ৰী আৰু প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে।

00000

**সমাপ্ত**